জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৩৩/২০২২

# ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠানৰ মকুলি সভাত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## যি শিক্ষাই প্ৰমূল্যবোধৰ বাৰ্তা বহন কৰে তেনে শিক্ষাৰ জৰিয়তেহে দ্ৰুত সামাজিক উন্নয়ন সম্ভৱ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে স্থানীয় জনসাধাৰণ আৰু উত্তৰ পূব সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ প্ৰয়াসত ১৯৭১ চনৰ ৯ আগষ্টত প্ৰতিষ্ঠা লাভ কৰা এই মহাবিদ্যালয়খনে গৌৰৱোজ্জ্বল ৫০ টা বছৰ অতিক্ৰম কৰিছে।

আজি মুকলি সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শিক্ষাৰ উদ্দেশ্য কেৱল পুথিগত বিদ্যা আহৰণ বা উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰাই নহয়, যি শিক্ষাই প্ৰমূল্যবোধৰ বাৰ্তা বহন কৰে, মানৱতাৰ হকে নিজকে নিয়োজিত কৰাৰ বাবে প্ৰস্তুত কৰিব পাৰে সেই শিক্ষাৰ জৰিয়তে দ্ৰুত সামাজিক উন্নয়ন সম্ভৱ। আধুনিক বিজ্ঞান প্ৰযুক্তিৰ শিক্ষা আমাক নিশ্চয় লাগিব, কিন্তু প্ৰমূল্যবোধ তথা আধ্যাত্মিকতাবাদ আৰু সংস্কৃতিৰ দ্বাৰা উদ্বুদ্ধ হৈ বিজ্ঞান শিক্ষা গ্ৰহণ কৰিলেহে সেই বিজ্ঞান মানৱ কল্যাণৰ হকে প্ৰযোজ্য হ'ব পাৰে বুলি তেখেতে কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে প্ৰতিযোগিতামুখী বিশ্বত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ দক্ষতা আৰু যোগ্যতা প্ৰমাণ কৰিব লাগিলে বহুমুখী জ্ঞান আহৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। শিক্ষাটো এটা 'ৱাটাৰ টাইট্ কমপাৰ্টমেণ্ট্' নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আধুনিক শিক্ষা হৈছে এটা সামগ্ৰিক শিক্ষা আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ইয়াৰ ওপৰত গুৰুত্ব দিছে। ৰাজ্য চৰকাৰে এই দিশত শিক্ষা ব্যৱস্থাটোক আগুৱাই নিয়াত নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। কাৰোবাৰ বাবে দৰিদ্ৰতাৰ ছাঁ আৰু কাৰোবাৰ বাবে সম্পদৰ পৰিপূৰ্ণতাৰে আৱৰি থকা অসমতাপূৰ্ণ জীৱনক জ্ঞান আৰু প্ৰজ্ঞা সাধনাৰে কৃতিত্বৰ উচ্চ শিখৰত আৰোহণ কৰাব পাৰে বুলি উল্লেখ কৰি 'প্ৰজ্ঞানং ব্ৰহ্ম'ৰ ওপৰত মুখ্যমন্ত্ৰীয়ে তত্বগধুৰ বক্তব্য আগবঢ়ায়।

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

আজি ‘মাতৃ দিৱস’ৰ দিনা সকলোকে মাতৃ দিৱসৰ শুভেচ্ছা জনাই মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ বাবে প্ৰতিটো দিনেই মাতৃ দিৱস। ‘জননী জন্মভূমি স্বৰ্গদপি গৰিয়সী’ বুলি উল্লেখ কৰি তেখেতে কয় যে এজন ছাত্ৰ বা ছাত্ৰীৰ ওপৰত যেতিয়া পিতৃ-মাতৃ বা গুৰুৰ আশীৰ্বাদৰ ছাতি থাকে তেতিয়া কোনো দুৰ্যোগৰ বৰষুণে তেওঁক তিতাব নোৱাৰে। মাতৃ ভাষাক মাতৃ জ্ঞান কৰাৰ লগতে বন্ধুৰ লগত কথা ক’ব পৰাকৈ বন্ধুৰ ভাষাও আহৰণ কৰাত গুৰুত্ব আৰোপ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সীমাৰ পৰিধি ভাঙি জ্ঞান অন্বেষণৰ দ্বাৰা বিশ্ব বিজয় কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰতিযোগিতাৰ পৃথিৱীত ফেৰ মাৰিব পৰাকৈ মাতৃ ভাষাৰ লগতে হিন্দী, ইংৰাজী আদি ভাষাৰ ওপৰতো দখল সাব্যস্ত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ আগবঢ়ায়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে এই মহাবিদ্যালয় স্থাপনৰ দিশত স্বৰ্গীয় ললিত চন্দ্ৰ ভৰালীৰ পৰিয়ালবৰ্গই আগবঢ়োৱা সহযোগিতাৰ বাবে শিক্ষাপ্ৰতিষ্ঠানখনে নিজা ভূমি লাভ কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি তেখেতসকলৰ মহানুভৱতাৰ শলাগ লয়। পাঁচটা দশক জুৰি গুৱাহাটীৰ শৈক্ষিক দৃশ্যপটৰ অংশ স্বৰূপে ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ে উত্তৰ পূৰ্বাঞ্চলৰ শৈক্ষিক উৎকৰ্ষ সাধনত বিশেষ অৱদান যোগাই আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ পৰা এ টি ৰোডলৈ সুগম যাতায়াতৰ বাবে গুৱাহাটী আই আই টিৰ বিশেষজ্ঞৰ সৈতে আলোচনমৰ্মে পৰিকল্পনা প্ৰস্তুত কৰি চৰকাৰক প্ৰেৰণ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয় পৰিচালনা সমিতি তথা কৰ্তৃপক্ষক আহ্বান জনায়। তদুপৰি উত্তৰ পূব সীমান্ত ৰেলৱেৰ মালিগাঁওস্থিত কাৰ্যালয়ৰ সৈতে আলোচনা কৰি মহাবিদ্যালয়খনৰ আন এটা চৌহদ নিৰ্মাণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেখেতে মহাবিদ্যালয় কৰ্তৃপক্ষক আহ্বান জনায়। এই ক্ষেত্ৰত চৰকাৰে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াব বুলিও তেখেতে উল্লেখ কৰে।

আজি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী উপলক্ষে প্ৰকাশিত এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে।

মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অমৰেন্দ্ৰ কলিতাই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিধায়ক তৰংগ গগৈ, ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস, দাঁতা পৰিয়ালৰ সদস্য কমলজিৎ ভৰালী, প্ৰাক্তন অধ্যক্ষ, গুৱাহাটীৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী প্ৰমুখ্যে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

হেঃশঃ
০৮/০৫/২০২২